# অসম আদিত্য

১৬ আঘোণ, ১৯৪৫ শক ■ দেওবাৰ, ৩ ডিচেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Sunday, December 3, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


টাই সংস্কৃতি চৰ্চা কেন্দ্ৰৰ উদ্যোগত আজি শ্ৰীপুৰীয়াৰ চ্যু-কা-ফা নগৰত চ্যুকাফা দিৱস বৰ্ণিল কাৰ্যসূচীৰে পালন কৰে। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে টাই সংস্কৃতি চৰ্চা কেন্দ্ৰৰ সভাপতি নকুল কোঁৱৰে, ৮ পৃষ্ঠাত

## শিৱসাগৰত অঞ্জলি দত্ত সোঁৱৰণী বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২ ডিচেম্বৰ ঃ** অসমৰ ভিতৰতে এটা আগশাৰীৰ সংবাদকৰ্মীৰ একত্ৰ মঞ্চ হ'ল শিৱসাগৰ প্ৰেছ ক্লাব। ইতিমধ্যে শিৱসাগৰ প্ৰেছ ক্লাবে সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্নধৰণৰ গঠনমূলক অনুষ্ঠান অনুষ্ঠিত কৰি সামাজিক দায়বদ্ধতাৰ ৮ পৃষ্ঠাত

## সাংবাদিক নৱনীতা গগৈলৈ 'সাহসী বঁটা'

**প্ৰতিবেদক, আমগুৰি, ২ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ সাংবাদিক নৱনীতা গগৈলৈ আগবঢ়োৱা হৈছে 'সাহসী বঁটা-২০২৩'। বে-চৰকাৰী সংস্থা 'সাহসী'য়ে আগবঢ়োৱা এই বঁটা অহা ২৮ ডিচেম্বৰত গুৱাহাটীস্থ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ভাষাবিদ বাণীকান্ত ৮ পৃষ্ঠাত



# ডিব্ৰুগড়ত শ্ৰুতি শিল্পী সমাজৰ 'মানুহে মানুহৰ বাবে'

### ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মি মানৱতা, ড° ৰঞ্জিত কুমাৰ বৰুৱাক জীৱনজোৰা আৰু মাৰোৱাৰী যুৱ মঞ্চক মানৱসেৱাৰ বঁটা প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, ২ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান শ্ৰুতি শিল্পী সমাজে আজি ৰাজ্যখনৰ দুজনকৈ বিশেষ ব্যক্তিৰ লগতে এটা সামাজিক অনুষ্ঠানলৈ আগবঢ়ালে বঁটা। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দ্বাদশ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি 'মানুহে মানুহৰ বাবে' অনুষ্ঠানৰ জৰিয়তে বিশিষ্ট চিকিৎসক ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মি, ভাস্কৰ্যশিল্পী ড° ৰঞ্জিত কুমাৰ বৰুৱা আৰু ডিব্ৰুগড় মাৰোৱাৰী যুৱ মঞ্চলৈ প্ৰদান কৰা হয় একোটাকৈ বিশেষ বঁটা। বিশেষকৈ স্বাস্থ্যক্ষেত্ৰত মানৱসেৱাত ব্ৰতী হৈ থকা অসম চিকিৎসা মহাবিদ্যালয়ৰ নিউৰোচাৰ্জন ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মিক শ্ৰুতি শিল্পী সমাজে আনুষ্ঠানিকভাৱে প্ৰদান কৰে মানৱতাৰ বঁটা। সেইদৰে ভাস্কৰ্যশিল্পী ড° ৰঞ্জিত কুমাৰ বৰুৱাক জীৱনজোৰা সাধনা বঁটা আৰু ডিব্ৰুগড় মাৰোৱাৰী ৮ পৃষ্ঠাত

## ধৰ্মপ্ৰাণা নিৰলা দেৱীৰ দেহাৱসান



## ৰ্বানন্দ সোনোৱা
## -মুখ্যমন্ত্ৰী
## ং চ্যুকাফা
## ' প্ৰদান

উজনালৈ গভীৰ শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ
ৰ্য-বীৰ্য, অতুলনীয় স্বদেশপ্ৰেম
য়া প্ৰতীক বুলি অভিহিত কৰে। ল
ৰল অসমৰে নহয়, সমগ্ৰ ৬ পৃ

## খ্যমন্ত্ৰী হিম

## সমীয়

# অসম আদিত্য

১৬ আঘোণ, ১৯৪৫ শক ■ দেওবাৰ, ৩ ডিচেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Sunday, December 3, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা


গ্ৰা

ইকীয়া

হক

ণ কৰিবলৈ
ৰ্থাৎ কিতাপ
ত পৃথিৱীৰ
াধ-চেতনা
ড়াৰ দক্ষতা
বুলি কোৱা
ৱন কৰিবই
তাপ পঢ়াৰ
চাৰি পাওঁ।
পঢ়িলেও
থবা ইয়াৰ
পোৱাটো
ৰ মহৎ গ্ৰন্থ

## অসমীয়াৰ পিতৃপুৰু



## টিংখাঙত 'অ

## ডিব্ৰুগড়ত শ্ৰুতি শিল্পী

যুৱ মঞ্চক মানৱসেৱাৰ বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড়ত শিল্পী সমাজৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু মঞ্চৰূপাৰ সক্ৰিয় সহযোগত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰে প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়া, বিশিষ্ট অনুবাদ সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোডিয়া, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, চিকিৎসা বিষয়া ডাঃ নৱজ্যোতি গগৈ আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। ইফালে শ্ৰুতি শিল্পী সমাজৰ স্মৃতিগ্ৰন্থ 'ৰামধেনু' উন্মোচন কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। ডাঃ কাকতিয়ে নিজৰ ভাষণ প্ৰসংগত শ্ৰুতি শিল্পী সমাজৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰি কয়— স্বীকৃতিয়ে মানুহক কাম কৰাত উৎসাহিত কৰে। কিন্তু স্বীকৃতি পাবলৈ মানুহে কাম কৰা অনুচিত। স্বীকৃতি নিজেই আহিব, পলম হ'ব পাৰে। অন্যহাতে, বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰি প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াই জীৱনজোৰা সাধনাৰ বঁটা প্ৰাপক ড° ৰঞ্জিত কুমাৰ বৰুৱাক আগবঢ়োৱা এই বঁটাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি কয়— ড° ৰঞ্জিত কুমাৰ বৰুৱা কেৱল এজন অধ্যাপকেই নহয়, নিপুণ ভাস্কৰ্যশিল্পীও। ড° ৰঞ্জিত কুমাৰ বৰুৱাৰ শিল্পত জ্ঞান আৰু ধ্যান দুয়োটাই প্ৰকাশিত হৈছে। অন্যহাতে, মানৱতাৰ বঁটাপ্ৰাপক ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মি আৰু মানৱসেৱাৰ বঁটা প্ৰাপক ডিব্ৰুগড় মাৰোৱাৰী যুৱ মঞ্চলৈয়ো শুভেচ্ছা জ্ঞাপন কৰিছে ড° শইকীয়াই। একেটা প্ৰসংগত ড° নগেন শইকীয়াই ভাষণত কয় যে সন্মান জনোৱাৰ মাজেদি এজোন ব্যক্তি বা অনুষ্ঠানক অধিক দায়িত্বশীল কৰি তোলে।

কৰা হয়। মূলতঃ নৱপ্ৰজন্মৰ লগতে প্ৰতিভাৱান লেখক-লেখিকাসকলৰ মাজত কিতা প্ৰকাশ তথা লেখন শৈলীৰ চৰ্চাৰ আগ্ৰহ গঢ়ি তোলাৰ উদ্দেশ্য সৰোগত কৰি প্ৰকাশকসকলৰ সৈতে মুকলি বাৰ্তালাপ অনুষ্ঠানটি আয়োজন কৰা হয় বুলি গ্ৰন্থমেল উপ-সমিতিৰ সম্পাদক দিলজিৎ বৰ্মনে জানিবলৈ দিয়ে। অসমৰ আগশাৰীৰ গ্ৰন্থ প্ৰকাশ গুৱাহাটীৰ বাণী প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীপদ চৌধুৰীয়ে উদ্বোধনী ভাষণত অসম গ্ৰন্থ প্ৰকাশৰ ইতিহাস সম্পৰ্কে মনোজ্ঞ বক্তব্য প্ৰকাশ কৰে। নলবাৰী শ্ৰীশ্ৰী হৰিমন্দি পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক নলিনীকান্ত শীল, ৰাস মহোৎসৱ উদ্‌যাপন সমিতি কাৰ্যকৰী সভাপতি মদন মালাকৰ, নলবাৰী পৌৰসভাৰ উপ-পৌৰপতি ড° ৰবী দাস আদিৰ উপস্থিতিত গাম্ভীৰ্যপূৰ্ণ সভাখনত নলবাৰীৰ কেইবাগৰাকীও প্ৰতিভাৱা লেখক-লেখিকা আৰু প্ৰকাশক ক্ৰমে নলবাৰীৰ প্ৰিয়ংকু নাৰায়ণ বৰুৱা, বিভা দত্ত অতুল শৰ্মা, পাৰুল দেৱী গোস্বামী, কণুমী দেৱী গোস্বামী, মণিকা দেৱী, আৰতি মিশ্ৰ, অজিৎ ৰাজবংশী, শংকৰ শৰ্মা, গুৱাহাটীৰ হিমাংশু ভাগৱতী, ৰামকৃষ্ণ সূত্ৰধা প্ৰতাপ দেৱনাথ, বিনয় শৰ্মা, কবিতা ডেকা তালুকদাৰ, ৰঙিয়াৰ আৰণ্যম কাশ্যপ বৰপেটাৰ নিতুল কুমাৰ দত্ত, যোৰহাটৰ হেমেন নাথ আদিয়ে অংশগ্ৰহণ কৰে

## পকা ধানে হাত বাউলি দি

কৰি তুলিছে। গৃহস্থই নিয়া সোণগুটি হেন পকা ধানৰ মেটমৰা ডাঙৰীৰ বিৰিয়া ভৰত জিৰিক-জাৰাক শব্দই স্পন্দিত কৰি তুলিছে পথাৰৰ লুং-লুঙীয়া পথৰ কাষ এভাৰ-দুভাৰকৈ ঘৰলৈ কঢ়িয়াই অনা সোণালী ধানেৰে শুৱনি হৈছে কৃষক ভঁৰালঘৰ। এনেদৰে বছৰজোৰা কঠোৰ পৰিশ্ৰমৰ বিনিময়ত এই আঘোন মাহ